তোমালোকে পৰস্পৰে পৰস্পৰক উপহাৰ দিয়া, মুহাব্বত বৃদ্ধি পাব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে পৰস্পৰে পৰস্পৰক উপহাৰ দিয়া, মুহাব্বত বৃদ্ধি পাব।"
[رواه البخاري في الأدب المفرد وأبو يعلى والبيهقي] [হাছান[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত মুছলিম ব্যক্তিক পৰস্পৰৰ মাজত হাদিয়া তথা উপহাৰ আদান-প্ৰদান কৰিবলৈ উৎসাহিত কৰিছে। কিয়নো উপহাৰ আদান প্ৰদান কৰিলে মুহাব্বত সৃষ্টি হয়, আৰু এইটো হৈছে হৃদয়ক একত্ৰিত কৰাৰ অন্যতম এটা উপায়।

http://www.sunnah.global/hadeeth/as/show/66179